**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-08-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধানসভা চৌহদত কেইবাটাও কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। বিধানসভা চৌহদত কুইন্‌ছ ল'ন, বিধানসভাৰ লাইভ ষ্টুডিঅ', নেভা সেৱা কেন্দ্ৰ, মূল সভাকক্ষ আৰু নেচনেল ই-বিধান এপ্লিকেচনো মুখ্যমন্ত্ৰীয়ে মুকলি কৰে। বিধানসভাৰ কাম-কাজ ডিজিটেল আৰু কাগজবিহীন কৰি তোলাৰ ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত এই এপ মুকলি কৰা হৈছে। আনহাতে, নেভা এপ্লিকেচনৰ সহায়ত সমগ্ৰ সদনৰ কাম-কাজ সুন্দৰভাৱে পৰিচালনা কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ সহায়ত দেশৰ সকলো বিধি-বিধান একে সময়তে আৰু একেখন মঞ্চত লাভ কৰাটো সুচল হৈ উঠিব। আনহাতে, ইয়াৰ দ্বাৰা তথ্য সংগ্ৰহৰ বাবে জাননী প্ৰেৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে নাইকিয়া হ'ব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধ্যক্ষ ডাঃ নোমল মমিন, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, কেন্দ্ৰীয় চৰকাৰৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব ড° সত্য প্ৰকাশৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী তথা বিধায়কসকল উপস্থিত থাকে।

০০০০০০০

অসম চৰকাৰে মহাবীৰ লাচিত বৰফুকনৰ বীৰত্বৰ গাঁথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে এখন তথ্য চিত্ৰ নিৰ্মাণৰ বাবে আজি প্ৰসাৰ ভাৰতীৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই তথ্য চিত্ৰখনত ৫২ টা খণ্ড থাকিব। এই উপলক্ষে আজি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে তথ্যচিত্ৰখনৰ জৰিয়তে মহাবীৰগৰাকীৰ বীৰত্বৰ কাহিনী দেশৰ প্ৰতিটো প্ৰান্তৰ লোকৰ মাজত প্ৰচাৰ কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। এই তথ্যচিত্ৰখন দূৰদৰ্শন আৰু ইয়াৰ অ' টি টি চেনেলসমূহৰ জৰিয়তে সম্প্ৰচাৰ কৰা হ'ব। তথ্যচিত্ৰখন নিৰ্মাণত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ১০ কোটিকৈ মুঠ ২০ কোটি টকা ব্যয় কৰিব। আজিৰ অনুষ্ঠানত দূৰদৰ্শনৰ উপ-সঞ্চালকপ্ৰধান অমিত কুমাৰ আৰু ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক মীনাক্ষি দাস নাথৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত দূৰদৰ্শনৰ সঞ্চালকপ্ৰধান কাঞ্চন প্ৰসাদো উপস্থিত থাকে।

০০০০০০০

অসমত ৰাজ্যসভাৰ দুখনকৈ আসন খালী হোৱাৰ পৰিপ্ৰেক্ষিতত আজি গুৱাহাটী মহানগৰীৰ কইনাধৰা ৰাজ্যিক অতিথিশালাত ৰাজ্যিক বিজেপিৰ নিৰ্বাচনী সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, প্ৰভাৰী হৰিশ দ্বিবেদীকে ধৰি নিৰ্বাচনী সমিতিৰ অন্যান্য সদস্যসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত এই আসন দুখন সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ অন্তত ৰাজ্যিক সভাপতি ভৱেশ কলিতাই সংবাদ মাধ্যমৰ আগত জনায় যে ৰাজ্য সভাৰ দুয়োখন আসনৰ বাবে ১০ গৰাকী প্ৰাৰ্থীয়ে আবেদন জনাইছে। ৰাজ্য সভাৰ আসন দুখনৰ বাবে প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় সমিতি আৰু সংসদীয় ব'ৰ্ডে সিদ্ধান্ত ল'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০০০

৭৮ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে দেশৰ অন্যান্য অঞ্চলসমূহৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে মৰিগাঁও জিলাৰ বিদ্যালয়সমূহে কাইলৈৰ পৰা ১৫ আগষ্টলৈ ভাৰতৰ স্বাধীনতা সংগ্ৰামত শ্বহীদ হোৱা জিলাখনৰ তিনিজন ব্যক্তি হেমৰাম পাটৰ, গুণাভিৰাম বৰদলৈ আৰু তিলক ডেকাৰ জীৱন যাত্ৰাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। প্ৰশাসনে জাতীয় গৌৰৱ প্ৰসাৰিত কৰা জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা নিৰ্বাচন কৰা ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ দেশপ্ৰেম আৰু শিল্প প্ৰতিভা প্ৰদৰ্শন

কৰাৰ উদ্দেশ্যে ভাৰ্চুৱেল ব্যৱস্থাৰে কাৰ্যসূচী হাতত লৈছে। এই কাৰ্যসূচীত দেশপ্ৰেমমূলক গীত পৰিৱেশন, দেশপ্ৰেমক বিষয়বস্তু হিচাপে লৈ নৃত্য তথা অভিনয় প্ৰদৰ্শন আদি অন্তৰ্ভুক্ত কৰা হৈছে।

ইপিনে ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা মিছনৰ উদ্যোগত হাইলাকান্দিত এটা ত্ৰিৰংগ পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হৈছে। হাইলাকান্দি পৌৰসভাৰ উদ্যোগত মুকলি কৰা এই বিক্ৰী কেন্দ্ৰটোত সুলভ মূল্যত পতাকা উপলভ্য কৰা হৈছে আৰু এই কেন্দ্ৰটো মহিলা আত্মসহায়ক গোটে পৰিচালনা কৰিছে।

০০০০০০০০০

আজি বিশ্ব হস্তী দিৱস। হাতী আৰু মানুহৰ সংঘাত দূৰ কৰাৰ লগতে হস্তীকুলৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে এই দিৱস পালন কৰা হয়। ২০১২ চনৰ পৰা প্ৰতি বছৰে এই দিৱস আয়োজিত হৈ আহিছে। এই দিৱস উপলক্ষে আজি হাতী সংৰক্ষণৰ বাবে বিভিন্ন স্থানত সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰত ১৪৮ টা হাতী চিকিৎসা কৰি বনাঞ্চলত মুকলি কৰি দিয়া হৈছে। কেন্দ্ৰটোৰ চিকিৎসক ডাঃ ভাস্কৰ চৌধুৰীয়ে প্ৰকাশ কৰা মতে হাতী-মানুহৰ সংঘাতৰ বিপৰীতে সহাৱস্থান অত্যন্ত প্ৰয়োজন হৈ পৰিছে। অসমত সম্প্ৰতি ৫ হাজাৰ ৫০০ টা মানহে হাতী আছে বুলি তেওঁ উল্লেখ কৰে। হাতীৰ বিচৰণভূমি হ্ৰাস পোৱাটো ইয়াৰ এটা কাৰণ বুলি তেওঁ মন্তব্য কৰে। মানস ৰাষ্ট্ৰীয় উদ্যানত আজি বিশ্ব হস্তী দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে উদ্যানখনৰ বাঁহবাৰীৰ মহল কেম্পত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। হাতীসমূহক গা ধুৱাই স্বাস্থ্য পৰীক্ষা কৰা, খাদ্য যোগান ধৰাৰ লগতে সজাগতামূলক সভা অনুষ্ঠিত হয়। এই সভাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হাতী সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টি কৰাৰ লগতে হাতী সুৰক্ষাৰ শপত গ্ৰহণ কৰোৱা হয়। বন বিভাগৰ উদ্যোগত তথা এটা স্বেচ্ছাসেৱী সংস্থা আৰু তামুলপুৰ প্ৰেছ ক্লাবৰ উদ্যোগত আজি বিশ্ব হস্তী দিৱস উদযাপন কৰা হয়। জিলাখনৰ নাগ্ৰীজুলিৰ গংগামায়া হাইস্কুলত আজি এই উপলক্ষে এখন সজাগতা সভাৰ আয়োজন কৰা হয়। এই সভাত বি টি আৰৰ কেইবাগৰাকীও সদস্য, বন বিষয়া তথা অন্যান্য বিষয়াই অংশগ্ৰহণ কৰে। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতি কাষৰীয়া শিলবড়ী অঞ্চলত আজি এই দিৱস উপলক্ষে এটা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হস্তী দিৱস উপলক্ষে হাতীৰ সুৰক্ষাৰ বাবে লোৱা পদক্ষেপসমূহৰ প্ৰশংসা কৰিছে।সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে হাতী আমাৰ সংস্কৃতি আৰু ইতিহাসৰ সৈতে জড়িত হৈ আছে। তেওঁ হাতীৰ অনুকুল বাসস্থান নিশ্চিত কৰিবলৈ সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণৰ বাবে দিয়া প্ৰতিশ্ৰুতিৰ বিষয়ে পুনৰবাৰ উল্লেখ কৰে। শ্ৰী মোদীয়ে যোৱা কেইটামান বছৰত হাতীৰ সংখ্যা বৃদ্ধি পোৱাত আনন্দ প্ৰকাশ কৰে।

০০০০০০০

**সমাপ্ত**